(ছ) চলচ্চিত্ৰীয় অভিযোজনাত সাহিত্যিক ৰীতি-নীতি কিদৰে চলচ্চিত্ৰীয় ৰূপলৈ সলনি কৰা হয়, 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰৰ আধাৰত দেখুওৱা।

(জ) অভিযোজনাত নন্দনতাত্ত্বিক দিশৰ সংযোগ সন্দৰ্ভত এটা নিবন্ধ প্ৰস্তুত কৰা।

★★★





**2025**

## ASSAMESE

### ( Regular Elective )

Paper : ASM–RE–6016/6026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : ASM–RE–6016

( ছন্দ আৰু অলংকাৰ )

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) ছন্দৰ মূল কথা কি?

(খ) অনুস্বৰ বিসৰ্গযুক্ত অক্ষৰৰ মাত্ৰাকাল কিমান?

(গ) ছন্দত লয় কোনে নিয়ন্ত্ৰিত কৰে?

(ঘ) আটাইতকৈ সৰু আৰু খৰতীয়া সমছন্দবিধৰ নামটো লিখা।

(ঙ) ঝুমুৰী ছন্দত প্ৰত্যেক চৰণত কেইটাকৈ আখৰ থাকে?

(চ) ‘‘বক্ৰাভিধেয়া শব্দোক্তিৰিষ্টা বাচামলংকৃতি।’’ অলংকাৰৰ লক্ষণ সম্পৰ্কে ক’বলৈ গৈ কোনজন আলংকাৰিকে এই মতটি আগবঢ়াইছে?

(ছ) শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ উপৰিও মম্মটাদি আচাৰ্যই আন এবিধ অলংকাৰৰ কথা কৈ গৈছে। অলংকাৰবিধৰ নামটো লিখা।

(জ) কবিতাৰ বিভিন্ন চৰণৰ শেষৰ ব্যঞ্জনবৰ্ণৰ মিল থাকিলে তাক কি অলংকাৰ বোলা হয়?

(ঝ) ‘‘পদুম বুলি মুখত ভোমোৰা পৰিছে।’’ ইয়াত কি অৰ্থালংকাৰ ব্যৱহাৰ কৰা হৈছে?

(ঞ) অলংকাৰ শাস্ত্ৰত স্পষ্ট আৰু বৈচিত্ৰ্যজনক সাদৃশ্যক কি অলংকাৰ বুলি কোৱা হয়?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) যতি বুলিলে কি বুজা?

(খ) সমবৃত্ত ছন্দ মানে কি?

(গ) কাব্যত অলংকাৰৰ অপৰিহাৰ্যত্ব স্বীকাৰ কৰা দুজন আলংকাৰিকৰ নাম লিখা।

(ঘ) ‘‘তৰুণ অৰুণে আহা কৰুণ কিৰণে
শান্তিৰ বুৰায় সৃষ্টি ঊষাৰ মিলনে।’’

কবিতাফাঁকিত ব্যৱহাৰ হোৱা শ্লেষ অলংকাৰ অনুসৰি ‘ঊষা’ শব্দটিৰ দুটি অৰ্থ লিখা।

(ঙ) ব্যাজস্তুতি অলংকাৰৰ সংজ্ঞা লিখা।





৩। তলৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) অন্ত্যমিল

(খ) পদ ছন্দ

(গ) কুসুমমালা

(ঘ) পুনৰুক্তবদাভাস

(ঙ) বক্ৰোক্তি

(চ) ভ্ৰান্তিমান

৪। (ক) ছন্দৰ স্বৰূপ বিচাৰ কৰি ছন্দসজ্জাৰ উপাদান হিচাপে মাত্ৰা আৰু লয়ৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ৪+৩+৩=১০

*অথবা*

(খ) মুক্তক ছন্দ বুলিলে কি বুজা? সাম্প্ৰতিক অসমীয়া কবিতাত ইয়াৰ প্ৰয়োগ সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৪+৬=১০

৫। (ক) ঝুনা আৰু ঝুমুৰী ছন্দৰ বিষয়ে উদাহৰণসহ বুজাই লিখা। ৫+৫=১০

*অথবা*

(খ) ত্ৰিপদী ছন্দ কাক বোলে? ইয়াৰ অন্তৰ্গত তিনিটা ছন্দৰ বিষয়ে আলোচনা কৰা। ১০

৬। (ক) 'অলংকাৰ' শব্দটিৰ আঁতিগুৰি বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) কাব্যত অলংকাৰে প্ৰধানভাৱে কি কি প্ৰয়োজন সাধন কৰে, বহলাই আলোচনা কৰা।

৭। (ক) অনুপ্ৰাস আৰু যমক অলংকাৰৰ বিষয়ে একোটিকৈ আলোচনা যুগুত কৰা। ৫+৫=১০

*অথবা*

(খ) ৰূপক অলংকাৰৰ আটাইবোৰ ভাগ-বিভাগ দেখুৱাই এটি আলোচনা যুগুত কৰা। ১০





Paper : ASM-RE-6026

( অভিযোজনা )

১। তলত দিয়াবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) বিশ্বসাহিত্যৰ যি কোনো গ্ৰন্থ এখনৰ অসমীয়া অভিযোজনা এটিৰ শিৰোনাম উল্লেখ কৰা।

(খ) আধুনিক প্ৰেক্ষাপটত সাধুকথাৰ অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(গ) *Adventures of Huckleberry Finn* কোন দেশৰ পটভূমিত ৰচিত উপন্যাস?

(ঘ) মাৰ্ক টোৱেইনৰ প্ৰকৃত নাম কি?

(ঙ) টম ছয়াৰ কোন?

(চ) বন্দিতা ফুকনে কোন চনত শিশু সাহিত্যৰ বাবে সাহিত্য অকাদেমী বঁটা লাভ কৰে?

(ছ) লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি' উপন্যাসৰ প্ৰথম প্ৰকাশৰ বছৰটো উল্লেখ কৰা।

(জ) পদুম বৰুৱাৰ 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰৰ প্ৰযোজক কোন আছিল?

(ঝ) ভবেন্দ্ৰ নাথ শইকীয়াৰ যি কোনো এটা গল্পৰ চলচ্চিত্ৰীয় (অভিযোজিত) ৰূপ এটিৰ নাম উল্লেখ কৰা।

(ঞ) 'অসমীয়া চলচ্চিত্ৰৰ ছাঁ-পোহৰ' কাৰ দ্বাৰা ৰচিত গ্ৰন্থ?

২। তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) *Adventures of Huckleberry Finn* উপন্যাসৰ যি কোনো দুটা চৰিত্ৰৰ নাম লিখা।

(খ) মাৰ্ক টোৱেইনৰ দ্বাৰা ৰচিত দুখন উপন্যাসৰ নাম উল্লেখ কৰা।

(গ) 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰত বীণা বাৰুৱতীয়ে কোনটো চৰিত্ৰত আৰু মোহিনী ৰাজকুমাৰীয়ে কোনটো চৰিত্ৰত অভিনয় কৰিছিল?

(ঘ) 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ একোটিকৈ অসমীয়া অভিযোজনাৰ শিৰোনাম উল্লেখ কৰা।

(ঙ) কোনগৰাকী কবিয়ে প্ৰথমে সংস্কৃত 'ৰামায়ণ' অসমীয়ালৈ অনুবাদ কৰিছিল? তেওঁৰ দ্বাৰা অনূদিত কাণ্ডকেইটাৰ ভিতৰত কোনটো কাণ্ড অভিযোজনাৰ বেছি ওচৰ চপা?

৩। তলৰ যি কোনো চাৰিটাৰ চমুকৈ উত্তৰ লিখা : ৫×৪=২০

(ক) অভিযোজনা আৰু অনুবাদৰ মাজৰ পাৰ্থক্য স্পষ্ট কৰা।

(খ) অভিযোজনাত সৃষ্টিশীলতাৰ ভূমিকা সন্দৰ্ভত এটা চমু নিবন্ধ লিখা।

(গ) বিংশ শতিকাত অসমীয়ালৈ কৰা অভিযোজনা সন্দৰ্ভত এটা টোকা লিখা।





(ঘ) 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰৰ কলা-উৎকৰ্ষৰ খতিয়ান দাঙি ধৰা।

(ঙ) একেটা ঠালৰ ভিতৰত হোৱা অসমীয়া অভিযোজনা সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱা।

(চ) অসমীয়া সাহিত্যৰ বৈষ্ণৱ যুগ বা শংকৰী যুগত হোৱা অভিযোজনাৰ এটি চমু আভাস দিয়া।

৪। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ৰচনাধৰ্মী উত্তৰ দিয়া : ১০×৪=৪০

(ক) অনুবাদ প্ৰক্ৰিয়াত উদ্ভৱ হোৱা সমস্যাৰাজি উদাহৰণসহ আলোচনা কৰা।

(খ) *Adventures of Huckleberry Finn* উপন্যাসৰ বন্দিতা ফুকনে কৰা অসমীয়া অভিযোজনাটিৰ উৎকৃষ্টতা সন্দৰ্ভত এটি বিচাৰ আগবঢ়োৱা।

(গ) অভিযোজনাত মূল পাঠৰ পৰা আঁতৰি আহি কিদৰে এটা নতুন পাঠ সৃষ্টি কৰা হয়, তাৰ আভাস দিয়া।

(ঘ) উদ্দেশ্যৰ পাৰ্থক্য অনুসৰি অভিযোজনাৰ ৰূপ কিদৰে ভিন ভিন হ'ব পাৰে, উদাহৰণসহ দেখুওৱা।

(ঙ) এটা ঠালৰ পৰা আন এটা ঠাললৈ অভিযোজনা কৰোঁতে অভিযোজকে মূল পাঠৰ সৈতে কিদৰে সংগতি ৰাখে, এই সম্পৰ্কত বিভিন্ন উদাহৰণ দি এটা নিবন্ধ লিখা।

(চ) অনুবাদ-প্ৰক্ৰিয়াত বিশ্লেষণৰ ভূমিকা আলোচনা কৰা।